# ৰাধাগোবিন্দ বৰুৱা মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী আৰজিবিয়ান উন্মোচন

## ছাত্ৰ-ছাত্ৰীসকলে উদ্ভাৱনী চিন্তা-চৰ্চাত গুৰুত্ব দিয়ক ঃ মনোজ কুমাৰ গোস্বামী



গুৱাহাটী, ৬ ফেব্ৰুৱাৰী ঃ গুৱাহাটীৰ ৰাধাগোবিন্দ বৰুৱা মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ উদ্যোগত আজি মহাবিদ্যালয়খনৰ বাৰ্ষিক আলোচনী নুৰজাহান মজুমদাৰ সম্পাদিত আৰজিবিয়ানৰ উন্মোচন আৰু বিশেষ বক্তৃতানুষ্ঠান সম্পন্ন হয়। মহাবিদ্যালয়খনৰ আলোচনী আৰজিবিয়ানৰ ২৯ তম সংখ্যাৰ উন্মোচনী অনুষ্ঠানটিৰ আৰম্ভনিতে সকলোকে আদৰণি জনায় মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° প্ৰাণজিৎ কুমাৰ নাথে। ভাষণ প্ৰসংগত তেওঁ মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰী সকলৰ সুপ্ত প্ৰতিভা বিকাশৰ এক মাধ্যম স্বৰূপ আৰজিবিয়ানৰ ইতিহাস উল্লেখ কৰে। সাহিত্য অকাদেমি বঁটা প্ৰাপক বিশিষ্ট গল্পকাৰ, সাংবাদিক মনোজ কুমাৰ গোস্বামীয়ে আলোচনীখন উন্মোচন কৰি এক মনোজ্ঞ আলোচনা আগবঢ়াই। তেওঁ ছাত্ৰ-ছাত্ৰী সকলক বিশ্বপ্ৰেক্ষাৰ উদাহৰণেৰে সাম্প্ৰতিক সময়ত কিদৰে আগবাঢ়ি যাব পাৰিব সেই সম্পৰ্কত আলোকপাত কৰে। লগতে উঠি অহা এই প্ৰজন্মক অধ্যয়নৰ সমান্তৰালকৈ উদ্ভাৱনী চিন্তা-চৰ্চাত গুৰুত্ব দিবলৈ কয়। বিশিষ্ট গল্পকাৰ গৰাকীয়ে এ আই প্ৰযুক্তিবিদ্যাৰ উন্নতিৰ লগে লগে আহি পৰা ভিন্ন প্ৰত্যাহ্বান সম্পৰ্কেও আলোচনা আগবঢ়াই। একেটা অনুষ্ঠানৰ লগত সংগতি ৰাখি আয়োজন কৰা বিশেষ বক্তৃতানুষ্ঠানত 'সাম্প্ৰতিক সাহিত্য চৰ্চা'- শীৰ্ষক বিষয়ত বক্তৃতা প্ৰদান কৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ ইংৰাজী বিভাগৰ অধ্যাপক তথা বিশিষ্ট সাহিত্য সমালোচক ড° বিভাস চৌধুৰীয়ে। এক মননশীল বক্তৃতা আগবঢ়াই সমালোচনাত্মক দৃষ্টিভংগীৰে ড° বিভাস চৌধুৰীয়ে সাহিত্যৰ ভিন্ন আংগিক আৰু বৈচিত্ৰ্যৰ কথা উল্লেখ কৰে। একেদৰে তেওঁ গুনগত মানৰ সাহিত্য সৃষ্টি বিষয়ত পাশ্চাত্য সাহিত্যৰ উদ্ধৃতি সহ ব্যাখ্যা আগবঢ়ায়। তাৎপৰ্যপূৰ্ণভাৱে তেওঁ পঢ়ুৱৈৰ সংখ্যা কমি অহাতো এক উদ্বেগৰ বিষয় বুলিও কয়। দুয়োগৰাকী অতিথিয়ে অনুষ্ঠানৰ মাজতেই এক অন্তৰংগ আলাপতো অংশ লয়। অনুষ্ঠানটিত মহাবিদ্যালয়খনৰ আভ্যন্তৰীণ মান নিৰূপক কোষৰ সমন্বয়ক তথা শিক্ষা বিভাগৰ বিভাগীয় প্ৰধান অধ্যাপক ড° দিপাংকৰ তালুকদাৰে সাহিত্য সমালোচনা বিষয়ত নিজৰ মত দাঙি ধৰে। মহাবিদ্যালয়খনৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক ড° জয়ন্ত ডেকাই আত ধৰা এই গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটিত অধ্যাপক-অধ্যাপিক, কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে।

ASOMIYA KHABAR
DATE - 07/02/2025
Pg. No. - 02